# প্ৰাৰ্থনা

— জিতুমণি পাঠক

**স্কু**ল ছুটী হোৱাৰ আগতে সিদিনাখন যেতিয়া হেডমাষ্টৰে তাক অকলে ফলি-কিতাপ সামৰি ঘৰলৈ যাবলৈ কৈছিল সি তেতিয়া একো নুবুজাভাবেৰে এখোজ-দুখোজকৈ ব্যাহিৰলৈ ওলাই আহিছিল। বাহিৰত তেতিয়া তাক নিবলৈ অকণ খুড়াক ৰৈ আছিল। অকণ খুড়াকৰ চাইকেলত উঠি আহি থাকোঁতে বিভিন্ন ভাবে তাৰ মনত হেন্দোলনি তুলিছিল। কিন্তু খুড়াকৰ গহীন মুখখনলৈ চাই সি একো সুধিব সাহ কৰা নাছিল। ঘৰ পাই গোটেই পৰিৱেশটো তাৰ আচহুৱা লাগিছিল। বহুত মানুহৰ ভিৰৰ মাজত সি দেখিছিল বগা কাপোৰেৰে ডিঙিলৈ ঢাকি বহল চোতালখনত শুৱাই থোৱা মাকক।

কোনোবাই তাক কৈছিল তাৰ মাক হেনো ঢুকাইছে। কোনোবা ঢুকালে নো কি হয় তেতিয়ালৈ কিন্তু তাৰ কোনো স্পষ্ট ধাৰণা নাছিল। কিন্তু কেইবাদিনো যেতিয়া মাক আৰু ঘূৰি অহা নাছিল তেতিয়া এদিন সি শুবৰ সময়ত দেউতাকক সুধিছিল মাক কি বাৰু একেবাৰেই নাহিবই নেকি? দেউতাকে তাক কৈছিল মাকজনী তাৰ তৰা হৈ গ'ল। তৰাবোৰে আহিব খুজিলেও আৰু ঘূৰি আহিব নোৱাৰে। তাৰ হঠাত সেইদিনাখন নিজলৈ দুখ লাগি গৈছিল। দুখ লাগি গৈছিল তৰাবোৰলৈও। সি দেউতাকৰ হাতখন জোৰকৈ খামুচি ধৰিছিল। ভগৱানক মনে মনে প্ৰাৰ্থনা কৰিছিল দেউতাকক যেন কেতিয়াও তৰা কৰি নেপেলায়।

সিদিনাখনৰ পৰা সি দেউতাকৰ সৈতে ছাঁৰ দৰে ঘূৰি ফুৰিছিল। সি লক্ষ্য কৰিছিল দেউতাক যেন লাহে লাহে দুটা সত্তালৈ পৰিণত হৈছিল; মাকলৈও, দেউতাকলৈও। তাৰ স্মৃতিৰ পৰা মাকৰ ছবিখন লাহে লাহে মচ খাই আহিছিল যদিও এইবাৰ দেউতাকক হেৰোৱাৰ ভয় এটাই সকলো সময়তে তাক গ্ৰাস কৰি ৰাখিছিল। সেই সময়তে ভগৱান নামৰ আন এটি অদৃশ্য সত্তায়ো তাৰ বুকুত অজানিতে খোপনি পুতিবলৈ সুবিধা পাইছিল। কিয় জানো তাৰ ভাব হৈছিল যে কেৱল ভগৱানেহে তাৰ দেউতাকক আৰু এটি তৰা হোৱাৰ পৰা ৰক্ষা কৰিব পাৰিব। এই ভাবটি দিনক দিনে তাৰ মনত গাঢ় হৈ আহিছিল আৰু মাকৰ দৰে দেউতাককো নেহেৰুৱাবলৈ সি মনে মনে দিনে-ৰাতিয়ে ভগৱানক খাটনি ধৰিছিল। মাক নোহোৱা দিন ধৰি দেউতাক নোহোৱা পৃথিৱী এখনৰ কথা ভাবিবলৈ গৈও সি শংকিত হৈ পৰিছিল। সেইদিনবোৰত দেউতাকক তাৰ ওচৰৰ পৰা কেতিয়াও কাঢ়ি নিনিবলৈ অহোৰাত্ৰি কিমানবাৰ যে প্ৰাৰ্থনা কৰিছিল তাৰ সীমা-সংখ্যা নাছিল। তেতিয়া তাৰ ভাব হৈছিল দেউতাকতকৈ সি কাকো ইমান ভাল নাপায় আৰু কেতিয়াও পাবও নোৱাৰিব।

আজি প্ৰায় ডেৰকুৰিমান বছৰ পাছত দেউতাকৰ শীৰ্ণকায় হাতখন পুনৰ নিজৰ দুহাতেৰে সাৱটি সি বহি আছে বিছনাখনত। মাজৰ সময়বোৰ যেন দ্ৰুততাৰে পাৰ হৈ গ'ল জীৱন যাপনৰ নামত। ক'ব নোৱাৰে সেই সময়বোৰত সি দেউতাকক কিমান মনত পেলাইছিল। ব্যস্ততাৰ সেই সময়বোৰত তাৰ জুখি চাবলৈও সময় নাছিল দেউতাকৰ প্ৰতি থকা তাৰ মৰমৰ ভৰ একেই আছে নে হ্ৰাস পাইছে। কিন্তু সেই দিনবোৰতেই কোনোবা এক মুহূৰ্তত সি ভগৱানক প্ৰাৰ্থনা কৰিবলৈ এৰি দিছিল। সি যে প্ৰাৰ্থনা কৰিবলৈ এৰি দিছিল সেই কথাও আনকি সি পাহৰি আছিল। আচৰিত কথা যে আজিহে জীৱন-মৃত্যুৰ দোলনাত ওলমি ৰোৱা দেউতাকৰ হাতখনত ধৰি তাৰ সেই কথাটো মনত পৰিল। সি হাতখন আৰু অলপ জোৰেৰে খামুচি ধৰিলে। তাৰ চকু দুটা সেমেকি উঠিল। হঠাত তাৰ এনে লাগিল যেন সি পুনৰ আগৰ সেই পাঁচ-ছবছৰীয়া 'সি' টো হৈ পৰিছে। দেউতাকৰ প্ৰতি এক অদ্ভুত স্নেহত তাৰ হৃদয়খন উথলি উঠিল।

কিমান সময় সি অতীতৰ সময়বোৰত বিচৰণ কৰি আছিল তাৰ সেইয়া খবৰ নাছিল। কিন্তু দেউতাকৰ মুখৰ পৰা ওলাই অহা এক যন্ত্ৰণাকাতৰ শব্দই তাক পুনৰ বাস্তৱলৈ ঘূৰাই আনিলে। দেউতাকৰ মুখখনলৈ চাই তাৰ দুখবোৰ যেন আকৌ উজাই আহিল। এক দীৰ্ঘ সময়ৰ অন্তত পুনৰ তাৰ ভগৱানক এবাৰ প্ৰাৰ্থনা কৰিবলৈ মন গ'ল। দেউতাকৰ বাবে। কিন্তু কিয় জানো আজি প্ৰাৰ্থনা কৰিবলৈ গৈ তাৰ বুকুখন কঁপি উঠিল। সৰুকালৰ পৰা সেই দিনবোৰত সি প্ৰাৰ্থনা কৰিছিল দেউতাক যেন সদায়ে তাৰ লগতে থাকে। আজি বাৰু কি সতেনো সি ভগৱানক প্ৰাৰ্থনা কৰে যে দেউতাকক তাৰ ওচৰৰ পৰা একেবাৰে লৈ যাবলৈ। কিন্তু সি ক'ব পাৰিব লাগিব। নিশ্চিত মৃত্যুৰ দিশে আগবঢ়া দেউতাকৰ যন্ত্ৰণাকাতৰ মুখখন আৰু সি চাই থাকিব নোৱাৰে। নাজানে সি তৰাবোৰ সুখত থাকে নে দুখত। কিন্তু ইমান যন্ত্ৰণাত নাথাকে চাগে কেতিয়াও।

*ফোন— ৯৮৫৪০-১৮১১৭*